বৰদলৈৰ ষষ্ঠ উপন্যাস **নিৰ্মল ভকত** মানৰ দ্বিতীয় আৰু তৃতীয় আক্ৰমণৰ ভেটিত ৰচিত। ১৯১০ খ্ৰীঃত নগাঁৱত থকা সময়ছোৱাত তেওঁ এই উপন্যাসখন লিখি উলিয়াইছিল। বৰদলৈৰ আন এখন উপন্যাস **ৰঙ্গিলীৰ** লগতে ১৯২৬ খ্ৰীঃত **নিৰ্মল ভকতখন** প্ৰকাশ হৈছিল। উপন্যাসখনৰ কাহিনী নায়ক নিৰ্মলৰ মুখেদি বিবৃত কৰাইছে। ল'ৰালিৰে পৰা একেলগে ৰং-ধেমালি কৰি ডাঙৰ-দীঘল হোৱা নিৰ্মল আৰু ৰূপহীৰ আশৈশৱ মৰমে কালক্ৰমত যৌৱনত প্ৰণয়লৈ ৰূপান্তৰিত হয়। নিৰ্মলৰ দেউতাকে তাৰ বাবে অইন এজনী ছোৱালী চাই জোৰণ পেলোৱাত এদিন নিৰ্মল আৰু ৰূপহীয়ে গাঁৱত ভাওনা প্ৰদৰ্শন চলি থকাৰ সুযোগতে নিৰ্মলৰ মাহীয়েকৰ ঘৰলৈ পলাই গৈ আশ্ৰয় লয়। তাত থিতাপি লোৱাৰ কিছুদিন পিছত মাহীয়েকে

সিহঁতৰ মাক-বাপেকক সৈমান কৰি সামাজিক দস্তুৰমতে সিহঁতৰ বিয়া পাতি দিয়ে। বিয়াৰ দুবছৰমান পিছত মানৰ দ্বিতীয় আক্ৰমণত নিৰ্মলে দেশৰ হকে যুঁজ কৰি মানসেনাৰ হাতত বন্দী হৈ সিহঁতৰ দেশ পায়গৈ। তাত থকা কালছোৱাতে মানে তৃতীয়বাৰ অসম আক্ৰমণ কৰি অসমৰ গাঁও-ভূই ছাৰখাৰ কৰি পেলায়। ক'ৰ মানুহ কেনি পলাল তাৰ ঠিকনা নোহোৱা হ'ল। নিৰ্মলহঁতৰ গাঁৱৰ কিছু মানুহ বোকাখাটৰ ফালে গৈ থিতাপি লয়। সৰুৰে পৰা নিৰ্মলৰ প্ৰেয়সীক অনিৰাম নামৰ এজন যুৱকেও ভাল পাইছিল আৰু সি বিয়া নকৰোৱাকৈ আছিল। মানৰ শেহতীয়া আক্ৰমণত সি ৰূপহীক ৰক্ষা কৰে। হিন্দু সমাজৰ ৰীতি-নীতি মতে সুদীৰ্ঘবাৰ বছৰ কাল নিৰ্মলৰ বাবে বাট চাই ৰূপহীয়ে অৱশেষত গঞা ৰাইজৰ হেঁচাত অনিৰামৰ স'তে বিবাহ পাশত আবদ্ধ হয়। ইপিনে মানৰ দেশত চৈধ্য বছৰ অতিবাহিত কৰি নিৰ্মলে নিজ দেশলৈ ঘূৰি আহি গাঁৱৰ একো অস্তিত্ব বিচাৰি নাপালে। উদাসীন ভকতৰ বেশ ধৰি নিৰ্মলে বোকাখাটৰ ওচৰৰ যুগী গাঁৱত ৰূপহী-অনিৰামৰ সন্ধান পালে। ইতিমধ্যে ৰূপহী-অনিৰামৰ সংসাৰলৈ তৃতীয় ব্যক্তিৰ আগমন ঘটিছে। তেওঁলোকৰ সংসাৰত ব্যাঘাত জন্মিব পাৰে বুলি নিৰ্মলে আত্ম-পৰিচয় বেকত নকৰি ভকতৰ বেশত সিহঁতৰ সংসাৰ প্ৰত্যক্ষ কৰিলে। শোকত দগ্ধ হৈ নিৰ্মলে সাংসাৰিক মোহ সমূলি ত্যাগ কৰি ঈশ্বৰ-চিন্তাত দেহ-মন উচৰ্গা কৰি দক্ষিণ পাট সত্ৰলৈ গৈ বৈষ্ণৱ ধৰ্মৰ মন্ত্ৰ লৈ নিৰ্মল আতৈ ৰূপে ধৰ্মীয় জীৱন আৰম্ভ কৰিলে। এশ বছৰৰো অধিক কাল পৰমায়ু লাভ কৰি এদিন বহি থকা অৱস্থাতে আতৈয়ে প্ৰাণ এৰিলে। দৈৱক্ৰমে সিদিনাই ৰূপহী-অনিৰামে সত্ৰলৈ গমন কৰা পথতে নিৰ্মল আতৈৰ সমগ্ৰ কথা জানিব পাৰি চকুলো টুকি অন্ত্যেষ্টি ক্ৰিয়াত যোগ দিয়ে। দৰাচলতে ইয়াতে উপন্যাসৰ কাহিনী শেষ হৈছে যদিও, ঔপন্যাসিকে নিৰস ধৰ্মীয় আলোচনা-সমৃদ্ধ অধ্যায়কেইটামান যোগ দিছে। প্ৰায়চিত্তৰ কাৰণ, গুৰুৰ আৱশ্যকতা, গুৰুৰ প্ৰকাৰ, গাৰ্হস্থ্য আৰু কেৱলীয়া জীৱনৰ পাৰ্থক্য, ব্ৰহ্মচৰ্য অক্ষুণ্ণ ৰখাৰ কৌশল আদি আলোচনাৰে সমৃদ্ধ অধ্যায়কেইটাৰ কাহিনীৰ ফালৰ পৰা কোনো আৱশ্যকতা বিচাৰি পোৱা নাযায়।

বৰদলৈৰ এইখন উপন্যাস মানৰ দ্বিতীয় আৰু তৃতীয় আক্ৰমণৰ পটভূমিত ৰচিত যদিও, উপন্যাসখনত কোনো ঐতিহাসিক চৰিত্ৰই অংশ গ্ৰহণ কৰা নাই। ইতিহাসৰ প্ৰত্যক্ষ প্ৰভাৱ অথবা ঐতিহাসিক ব্যক্তিৰ উপস্থিতি নথকা সত্ত্বেও বুৰঞ্জীৰ পটভূমিত লেখকৰ মহৎ উদ্দেশ্য সাধনৰ পথত অগ্ৰসৰ হৈছে। উপন্যাসখনৰ নায়ক-নায়িকা প্ৰমুখ্যে সকলো চৰিত্ৰ তথা কথা-কাহিনী কাল্পনিক যদিও, সিবোৰক প্ৰতিষ্ঠা কৰিছে মানৰ আক্ৰমণকালীন সমাজৰ পটভূমিয়ে । মানৰ আক্ৰমণে নায়ক-নায়িকাৰ জীৱনলৈ কিদৰে বিপদ নমাই আনিলে, বিচ্ছেদৰ সৃষ্টি কৰিলে আৰু সিয়েই কিদৰে নায়ক নিৰ্মলক আসক্তিপূৰ্ণ গৃহীৰ সলনি সংসাৰ বিৰাগী প্ৰবীণ ভকতত পৰিণত